| Headline: IISL launches Nifty 50 Futures Index | |
|---|---|
| Source: Asomiya Pratidin , Assam | Date: 18 June 2016 |

# আই আই এছ এলে মুকলি কৰিলে ‘নিফটি ৫০ ফিউচাৰ্ছ ইনডেক্স’

## নিফটি ৫০ ফিউচাৰ্ছ চুক্তিসমূহৰ প্ৰদৰ্শন দেখুৱাব নতুন সূচকাংকই




মুম্বাই ঃ ভাৰতৰ বেঞ্চমাৰ্ক সূচকাংক নিফটি ৫০ ৰ ভৱিষ্যতৰ মূল্যৰ পৰিবৰ্তনক দেখুৱাব পৰা এক নতুন সূচকাংক মুকলি কৰা হৈছে। এন এছ ই গ্ৰুপৰ প্ৰতিষ্ঠান ইণ্ডিয়া ইনডেক্স ছাৰ্ভিচেজ এণ্ড প্ৰডাক্টছ লিমিটেডে (আই আই এছ এল) ভাৰতীয় পুঁজি বজাৰক প্ৰতিনিধিত্ব কৰিব পৰা সূচকাংকৰ শ্ৰেণীক বিস্তাৰিত কৰাৰ প্ৰচেষ্টাৰে এই নতুন সূচকাংকৰ তৈয়াৰ কৰিছে। এই নতুন সূচকাংকৰ নাম হৈছে ‘নিফটি ৫০ ফিউচাৰ্ছ ইনডেক্স’। নিফটি ৫০ হৈছে এন এছ ইৰ ফিউচাৰ্ছ এণ্ড অপচনছ (এফ এণ্ড অ’)ৰ শাখাত সৰ্বাধিক ব্যৱসায় কৰা সূচকাংক। ম্যাদ উকলাৰ তিনি দিন পূৰ্বে এই সূচকাংক মধ্যম মাহৰ চুক্তিসমূহৰ বাবে ক্ৰমশঃ কাৰ্যকৰী হ’ব। ভাৰতৰ বিকাশ গাথাত অন্তৰ্ভুক্ত হোৱাৰ বাবে বজাৰৰ অংশীদাৰীসকলৰ বাবে এই সূচকাংক এক নতুন মাধ্যম হিচাপে বিবেচিত হ’ব। এই সূচকাংকৰ আধাৰ ১ এপ্ৰিল ২০০৫ আৰু ইয়াৰ আধাৰ মূল্য ১,০০০ টকা। এই সূচকাংকৰ দুটা শাখা হ’ব— এটা হ’ব প্ৰাইচ ৰিটাৰ্ন আৰু আনটো হ’ব মুঠ ৰিটাৰ্ন।